বিহাৰ ৰাজ্য আৰু অন্যান্য

-বনাম-

ডি. এন. সিঙ (মৃত) ৰ উত্তৰাধিকাৰীৰ দ্বাৰা আৰু অন্যান্য

১৩নৱেম্বৰ, ১৯৯৭

[ন্যায়াধীশ এছ.বি. মজুমদাৰ আৰু ন্যায়াধীশ এছ.পি. কুৰ্দুকাৰ]

*লেণ্ড একুইজিচন এক্ট, ১৮৯৪ (ভূমি অধিগ্ৰহণ আইন, ১৮৯৪) : ধাৰা নং১১ (১) ৰ প্ৰভিচো- ভূমি অধিগ্ৰহণ- অধিগ্ৰহণ বিষয়াৰ দ্বাৰা প্ৰদান কৰা ক্ষতিপূৰণ- অনুমোদন- অনুমোদন প্ৰদানৰ সময়ত আয়ুক্তৰ ক্ষতিপূৰণৰ পৰিমাণ হ্ৰাস কৰাৰ ক্ষমতা- উপস্থাপন কৰে, আয়ুক্তই ক্ষমতা প্ৰয়োগ কৰিব পাৰে- বিষয়টো উচ্চ ন্যায়ালয়লৈ ন্যস্ত কৰিব পাৰে।*

**উত্তৰদাতাসকল ভূমি অধিগ্ৰহণ আইন, ১৮৯৪-ৰ অধীনত দাবীদাৰ আছিল। উচ্চ ন্যায়ালয়ৰ সন্মুখত বিবাদটো এই বিষয়ত আছিল যে, দাবীকৰ্তাৰ ক্ষতিপূৰণ প্ৰদানত ভূমি অধিগ্ৰহণ সংগ্ৰাহকৰ প্ৰস্তাৱক অনুমোদন প্ৰদান কৰোতে, আয়ুক্তই আইনৰ ধাৰা ১১-ৰ প্ৰভিচোৰ অধীনত ক্ষমতা প্ৰয়োগ কৰাৰ সময়ত- অধিগ্ৰহণ কৰিবলৈ বিচৰা পৰিমানৰ পৰা বিভিন্ন শ্ৰেণীৰ ভূমিৰ ক্ষেত্ৰত পৰামৰ্শ দিয়া পৰিমাণ হ্ৰাস কৰিব পাৰে। উচ্চ ন্যায়ালয়ে ইয়াৰ পূৰ্বৰ সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰি কৈছিল যে, আয়ুক্তৰ কোনো ক্ষমতা নাই। সেয়েহে বৰ্তমানৰ এই আপীল আবেদন।**

**এই আদালতত আপীলৰ অনুমতি দিয়া হৈছে।**

**উপস্থাপন কৰে, ১.আয়ুক্তজনে ভূমি অধিগ্ৰহণ আইন, ১৮৯৪-ৰ ধাৰা ১১(১)ৰ অধীনত ক্ষমতা প্ৰয়োগ কৰিব পাৰে। উচ্চ ন্যায়ালয়ৰ ৰায়টো নিৰ্ভৰ কৰিব পৰা সিদ্ধান্ত হ'ব নোৱাৰে কাৰণ, এই সিদ্ধান্তটো *বিহাৰ ৰাজ্য আৰু অন্যান্য বনাম প্ৰেম কুমাৰ সিঙৰ গোচৰ**ত এই আদালতৰ দ্বাৰা খাৰিজ কৰা হৈছে। (১৪১-বি; ই)**

*** ৩০.১১.১৯৯৩-ত ৰায় দিয়া এচ.এল.পি.(চি) ৭৮৩৭-১৯৯৩-ত উত্থাপিত দেৱানী আপীল- *বিহাৰ ৰাজ্য আৰু অন্যান্য বনাম প্ৰেম কুমাৰ সিং*।**

**২. বিষয়টোত আগবাঢ়িবলৈ সংশ্লিষ্ট পক্ষৰ কথা শুনি আইন অনুসৰি উচ্চ ন্যায়ালয়লৈ প্ৰেৰণ কৰা হয়। (১৪২-চি)**

**দেৱানী আপীলীয় ক্ষেত্ৰাধিকাৰ**: দেৱানী আপীল নং ৭৬৯৫-১৯৯৭।

পাটনা উচ্চ ন্যায়ালয়ৰ চি.ডব্লিউ.জে.চি. নং ৯১৩৭-১৯৯১ৰ ৯.৩.৯২তাৰিখৰ ৰায় আৰু আদেশত।

আপীলকাৰীৰ পক্ষত বি.বি.সিং।

উত্তৰদাতাৰ পক্ষত এ.পি.সিং আৰু কে.এন.ৰায়।

আদালতৰ ৰায় ইয়াৰ দ্বাৰা প্ৰদান কৰা হৈছে।

**ন্যায়াধীশ এছ.বি. মজুমদাৰ**। অনুমতি প্ৰদান কৰা হৈছে।

অৱশেষত, আমি এই আপীলত পক্ষসমূহৰ বিদ্বান পৰামৰ্শদাতাৰ যুক্তি শুনিছো।

সংক্ষিপ্ত প্ৰশ্নটো হ'ল- ভূমি অধিগ্ৰহণ আইন, ১৮৯৪ (সংক্ষেপে 'আইন')ৰ ধাৰা১১-ৰ প্ৰভিচোৰ অধীনত ভূমি অধিগ্ৰহণ সংগ্ৰাহকৰ প্ৰস্তাৱত অনুমোদন প্ৰদান কৰাৰ সময়ত, কাৰ্য্যক্ষম

আয়ুক্তই দাবীদাৰসকলক ক্ষতিপূৰণ প্ৰদানৰ সন্দৰ্ভত অধিগ্ৰহণ কৰিব বিচৰা বিভিন্ন শ্ৰেণীৰ ভূমিৰ ক্ষেত্ৰত পৰামৰ্শ দিয়া পৰিমাণ হ্ৰাস কৰিব পাৰিব নেকি।

উচ্চ ন্যায়ালয়ে ইয়াৰ পূৰ্বৰ সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰি এক দৃষ্টিভংগী গ্ৰহণ কৰিছে যে, আয়ুক্তৰ এনে কোনো ক্ষমতা নাই। এইকথা সত্য যে, ১১নং ধাৰাৰ চৰ্তাৱলীত উল্লেখ কৰা হৈছে যে, উপযুক্ত চৰকাৰ বা উপযুক্ত চৰকাৰে এই দিশত ক্ষমতা প্ৰদান কৰিব পৰা বিষয়াৰ পূৰ্ব অনুমোদন অবিহনে, আইনৰ ১১নং ধাৰাৰ উপধাৰা (১)ৰ অধীনত সংগ্ৰাহকৰ দ্বাৰা কোনো ক্ষতিপূৰণ প্ৰদান কৰা নহ'ব আৰু, উক্ত চৰ্তাৱলী অনুসৰি কাম কৰি ১৯৯৫চনৰ ১৩মাৰ্চৰ জাননীৰ জৰিয়তে বিহাৰ ৰাজ্যই বিভাগীয় আয়ুক্তক এনে শ্ৰেণীৰ গোচৰত (য'ত উপযুক্ত ক্ষতিপূৰণ পাঁচ লাখ টকাতকৈ অধিক কিন্তু ১৫লাখ টকাতকৈ অধিক নহয়) কৰ্তৃত্ব প্ৰদান কৰে, এই আইনৰ ১১(১)নং ধাৰাৰ চৰ্তাৱলীৰ অধীনত। উচ্চ ন্যায়ালয়ৰ সিদ্ধান্তটো সাধাৰণ কাৰণতে গ্ৰহনযোগ্য নহয় এইবাবেই যে, উচ্চ ন্যায়ালয়ত আপীল কৰা বিষয়টো পূৰ্বৰ সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰি আবেদন কৰা দৃষ্টিভংগী এই আদালতৰ দ্বাৰা ৩০নৱেম্বৰ ১৯৯৩তাৰিখৰ সিদ্ধান্তত খাৰিজ কৰা হৈছে, যি এছ. এল. পি.(চি.)নং৭৮৩৭-১৯৯৩ৰ পৰা উদ্ভৱ হোৱা দেৱানী আবেদনত প্ৰদান কৰা হৈছিল। উক্ত সিদ্ধান্তৰ পিছত এই ধাৰণা কৰিব লাগিব যে, আয়ুক্তই ভূমি অধিগ্ৰহণ আইনৰ ধাৰা ১১(১)ৰ অধীনত ক্ষমতা প্ৰয়োগ কৰিব পাৰে।

কিন্তু তাতেই বিষয়টো শেষ হোৱা নাছিল। উত্তৰদাতাপক্ষৰ পৰামৰ্শদাতাই দাখিল কৰিছিল যে, তেওঁৰ মতে যিহেতু এই

গোচৰত অধিগ্ৰহণ কৰা ভূমি প্ৰায় এচি. ১.১৫ গুন্থ আছিল, সেয়েহে, সংগ্ৰাহকৰ দ্বাৰা আগবঢ়োৱা মুঠ ক্ষতিপূৰণ ৫লাখ টকা নহ'ব, বৰঞ্চ বহুত কম হ'ব। সেয়েহে, ধাৰা ১১(১)-ৰ অধীনত প্ৰশ্নটোৰ সিদ্ধান্ত লোৱাৰ অধিকাৰ আয়ুক্তৰ আছে বুলি ধাৰণা কৰিলেও, যদি তেওঁ সক্ষম কৰ্তৃপক্ষ নহয়, তেন্তে তেওঁ ক্ষতিপূৰণৰ পৰিমাণ হ্ৰাস কৰিব নোৱাৰিলেহেঁতেন। আনহাতে, বিহাৰ ৰাজ্যৰ হৈ হাজিৰ হোৱা বিদ্বান পৰামৰ্শদাতা শ্ৰী সিঙে দাখিল কৰিছিল যে, ধাৰা ১১(১)ৰ অধীনত প্ৰদান কৰা ক্ষতিপূৰণৰটো এক সামগ্ৰিকভাৱে দিয়া ক্ষতিপূৰণ আৰু সেয়েহে, যদি এখন জাননীৰ জৰিয়তে বহুসংখ্যক ভূমি অধিগ্ৰহণ কৰা হয়, তেন্তে এই ক্ষতিপূৰণৰটো বিভিন্ন দাবীদাৰীক দিয়া একক ক্ষতিপূৰণ হ'ব। আৰু, যদি এনে সিদ্ধান্তত আগবঢ়োৱা ক্ষতিপূৰণৰ মুঠ পৰিমাণ ৫লাখ টকাতকৈ অধিক হয়, ই আইনখনৰ ধাৰা ১১(১)ৰ অধীনত অনুমোদনৰ কাৰ্য্যৰ দায়িত্ব থকা কৰ্তৃপক্ষৰ ক্ষমতাৰ ভিতৰত পৰিব। আনহাতে, উত্তৰদাতাপক্ষৰ পৰামৰ্শদাতাই দাখিল কৰিছিল যে, যদি সেইটোৱে হই, তেন্তে প্ৰশ্ন উত্থাপন হ'ব যে, সংগ্ৰাহকৰ দ্বাৰা গণনা কৰা সকলো দাবীদাৰক একেলগে প্ৰদান কৰা মুঠ ক্ষতিপূৰণ ১৫লাখ টকাতকৈ অধিক হ'ব নেকি, য'ত আয়ুক্তজন আইনৰ ধাৰা ১১(১)ৰ অধীনত কাম কৰিবলৈ ক্ষমতাসম্পন্ন কৰ্তৃপক্ষ নহ'ব, কিন্তু ৰাজ্য চৰকাৰ হ'ব কিয়নো এই ক্ষতিপূৰণ ১৫লাখ টকাতকৈ অধিক। যিহেতু, এই দিশবোৰ উচ্চ ন্যায়ালয়ে বিবেচনা নকৰে, আমি আপীলৰ অধীনত দিয়া নিৰ্দেশটো বাতিল কৰাটো সঠিক লগতে উপযুক্ত বুলি বিবেচনা কৰোঁ আৰু সংশ্লিষ্ট পক্ষসমূহৰ শুনানিৰ পিছত আইন অনুসৰি

আগবাঢ়ি যোৱাৰ অনুৰোধৰ সৈতে উচ্চ ন্যায়ালয়ৰ নথিত লেখ-আবেদন পুনৰুদ্ধাৰৰ কাৰ্য্য ন্যস্ত কৰোঁ। আমি এইটো স্পষ্ট কৰি দিছোঁ যে, এই দিশত আমাৰ সন্মুখত উত্থাপন কৰা বিতৰ্কৰ গুৰুত্বৰ ওপৰত আমি কোনো মতামত প্ৰকাশ কৰা নাই আৰু ইতিমধ্যে উপস্থাপন কৰা প্ৰাসংগিক প্ৰমাণৰ পৰিপ্ৰেক্ষিতত উচ্চ ন্যায়ালয়ে নিজেই সিদ্ধান্ত ল'ব। সেই অনুসৰি আবেদনৰ অনুমতি দিয়া হয়। খৰচ অবিহনে।

এচ.ভি.কে.আই.

আপীলৰ অনুমতি দিয়া হৈছে।

.......................................................

..............................

অনুবাদ: ড. অৰ্চ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক,অনুবাদ শাখা,গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

"স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ

ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ’ব।”

. . . . . . . . . . . . . . . . . . . .